**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতিৰে আড়ম্বৰপূৰ্ণভাৱে ৰাস মহোৎসৱ উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গোৱালপাৰা জিলাৰ ছন্দৰীয়াৰ সাৰ্বজনীন ৰাসমেলা খেলপথাৰত কাইলৈৰপৰা ৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। তদুপৰি জিলাখনৰ দুধনৈ ৰাজহুৱা খেলপথাৰত ১৫ দিনীয়া আৰু মাকৰিত ছদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিলাসীপাৰাতো কাইলৈ ১৬ দিনীয়া কাৰ্যসূচীৰে ৬৫ সংখ্যক শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ আৰম্ভ হ'ব। সেই অনুসৰি কাইলৈ পূজা, ভাগৱত পাঠ, নাম-কীৰ্তন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

ইফালে, বিভিন্ন ৰাস উদযাপন সমিতিলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি কালি কেইবাখনো ৰাস উদযাপন সমিতিক পৰ্যটন বিভাগে অতিৰিক্ত ৫০ হাজাৰ টকাকৈ আগবঢ়ায়।

ooooo

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাৰ অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হৈছে। অসম বুক অৱ ৰেকৰ্ডছৰ ব্যৱস্থাপনাত আজি গোৱালপাৰা মহাবিদ্যালয়ৰ খেলপথাৰত ১৫৩গৰাকী ছাত্ৰ-ছাত্ৰীৰ সহযোগত ১৫০ ফুট দৈৰ্ঘ্যৰ চিত্ৰপটত অসমৰ লোক-সংস্কৃতি বাদ্যযন্ত্ৰ আৰু অসমৰ জনগোষ্ঠীয় লোকনৃত্যৰ বিষয়ত চিত্ৰ অংকনৰ আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিশু দিৱস উপলক্ষে কণ কণ শিশুসকলক শুভেচ্ছা জনাইছে।

ooooo

দক্ষিণ প্ৰশান্ত মহাসাগৰৰ ছ'ল'মন দ্বীপপুঞ্জৰ সমীপত বিজ্ঞানীসকলে বিশ্বৰ সৰ্ববৃহৎ প্ৰবাল আৱিষ্কাৰ কৰিছে। এখন ফুটবল পথাৰৰ সমান আয়তনৰ এই বৃহৎ প্ৰবাল ডোখৰৰ বয়স তিনিশ বছৰৰো অধিক বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰবালৰ সমষ্টি এই বৃহৎ প্ৰবাল খণ্ডটো এই বছৰ অক্টোবৰ মাহত চলোৱা এটা অভিযানকালত আৱিষ্কৃত হয়। গভীৰ সমুদ্ৰৰ উষ্ণতা বৃদ্ধিকে ধৰি বিভিন্ন প্ৰতিকুল পৰিস্থিতিৰ মাজতো বৰ্তি থকা এই প্ৰবালখণ্ডৰ গৱেষণাৰ জৰিয়তে পৃথিৱীৰ উৎপত্তি আৰু সমুদ্ৰৰ গঠন সম্পৰ্কে বহু নতুন তথ্য আহৰণ কৰিব পৰা যাব বুলি বিজ্ঞানীসকলে আশা প্ৰকাশ কৰিছে।

oooooooo

সমগ্ৰ দেশৰ লগতে অসমতো অহা ১৬ নৱেম্বৰত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হ'ব। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত এই উপলক্ষে সেইদিনা দিনৰ চাৰে ১১ বজাত 'গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা' শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই বক্তৃতা আগবঢ়াব বিশিষ্ট লেখক, সাংবাদিক অৰূপ কুমাৰ দত্তই।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতুপন বৰবৰা সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

ooooooo

সমাপ্ত